**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-SEP-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ত তিনিটা প্ৰকল্প উদ্বোধন কৰিব। শ্ৰী সোণোৱালে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ড০ যোগীৰাজ বসু বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা ভৱন উদ্বোধন কৰিব। তেওঁ লগতে কেন্দ্ৰীয় চৰকাৰৰ সাংসদ পুঁজিৰে নিৰ্মাণ কৰা এটা শৰীৰ চৰ্চা কেন্দ্ৰ আৰু খোৱাপানী প্ৰকল্প উদ্বোধন কৰিব।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি ডিব্ৰুগড়ত পি এম স্বনিধি আঁচনি শীৰ্ষক এটা অনুষ্ঠানত অংশ লৈ কয়, যে এই আঁচনিৰ মূল লক্ষ্য হৈছে পদপথৰ ব্যৱসায়ীসকলক সকাহ দিয়াৰ উপৰি মহিলা সৱলীকৰণৰ পথ প্ৰশস্ত কৰিছে। তেওঁ লগতে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত সকলো স্তৰৰ ৰাইজে বিভিন্ন কল্যাণমূলক আঁচনিৰ জৰিয়তে লাভান্বিত হৈ বিকশিত আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ যাত্ৰাৰ অংশীদাৰ হৈছে।

শ্ৰী সোণোৱালে পি এম স্বনিধি আঁচনিৰ সুবিধা লাভ কৰা ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ সৈতেও মত বিনিময় কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি জিলাখনৰ মিলন নগৰত এটা জনঔষধী কেন্দ্ৰ মুকলি কৰে। তেওঁ কয়, যে জনসাধাৰণক সুলভ মূল্যত জেনেৰিক ঔষধ যোগান ধৰাৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী ভাৰতীয় জনঔষধী পৰিযোজনাৰ অধীনত এই কেন্দ্ৰসমূহে আৰম্ভ কৰা হৈছে। বৰ্তমান দেশত ১৭ হাজাৰ এনে কেন্দ্ৰই জনসাধাৰণক সুলভ মূল্যত ঔষধ প্ৰদান কৰি আছে বুলি শ্ৰী সোণোৱালে উল্লেখ কৰে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি শিলচৰৰ উধাৰবন্দৰ কাঁছাকান্তি মন্দিৰ দৰ্শন কৰাৰ লগতে কাঁছাকান্তি বিদ্যামন্দিৰৰ মুকলি মঞ্চৰ আধাৰশিলা স্থাপন কৰে। ৰাজ্য চৰকাৰৰ ২০২৫-২৬ বৰ্ষৰ আনটাইড পুঁজিৰ অধীনত এই মুকলি মঞ্চ নিৰ্মাণ কৰা হ'ব। ড০ শৰ্মাই শিলচৰৰ ৰাংগীৰখাৰি পইণ্টত নেতাজী সুভাষ চন্দ্ৰ বসুৰ নৱনিৰ্মিত প্ৰতিমূৰ্তি উন্মোচন কৰি নেতাজীৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে।

নেতাজী মূৰ্তি নৱনিৰ্মাণ আৰু স্থাপন সমিতিৰ উদ্যোগত ভাস্কৰ্য শিল্পী অৰুণ যোগীৰাজে এই ২৮ ফুট উচ্চতাৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তিটো নিৰ্মাণ কৰি উলিয়াইছে। এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক অনুষ্ঠানো পৰিৱেশন কৰা হয়। ড০ শৰ্মাই সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শিলচৰৰ কেপিটেল পইণ্টৰ পৰা ৰাংগীৰখাৰিলৈ ৭০০ কোটি টকা ব্যয় সাপেক্ষে এখন উৰণ সেতু নিৰ্মাণ কৰা হ'ব বুলি উল্লেখ কৰে। তেওঁ লগতে কাছাৰ জিলাৰ উধাৰবন্দ আৰু লক্ষীপুৰৰ ১৯ খন গাঁও ডিমা হাচাওৰ সৈতে সংযুক্ত কৰাৰ বিষয়ত কেৱল চৰ্চা কৰা হৈছে বুলি জানিবলৈ দিয়ে।

মুখ্যমন্ত্ৰী শৰ্মাই ঘুংগুৰ বাইপাছত ছহিদ মংগল পাণ্ডেৰ নৱনিৰ্মিত প্ৰতিমূৰ্তিও উন্মোচন কৰে। তেওঁ এখন ৰাজহুৱা সভাত অংশ লয়। আজি তেওঁ শ্ৰীভূমি জিলাৰ পাথাৰকান্দি সম-জিলাত নৱনিৰ্মিত মণ্ডল বিজেপিৰ কাৰ্যালয় উদ্বোধন কৰিব। তেওঁ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ কাৰ্যসূচীতো অংশ ল'ব।

০০০০০০

পদ্মশ্ৰী সন্মানেৰে সন্মানিত তথা অসম গৌৰৱ বঁটাপ্ৰাপক হেমপ্ৰভা চুতীয়াই অসমৰ গ্ৰাম্য জীৱনৰ অভিন্ন অংগ তাঁতশালত নিজৰ যাদুকৰী হাতেৰে অতুলনীয় প্ৰতিভাৰ চানেকি দাঙি ধৰি জাতীয় জীৱনক সমৃদ্ধ কৰিছে বুলি অসম

চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই প্ৰকাশ কৰে। কালি প্ৰেমপ্ৰভা চুতীয়াৰ সৃষ্টিৰাজীসমূহ সংৰক্ষণ আৰু সংবৰ্ধনৰ বাবে চুতীয়া উন্নয়ন পৰিষদৰ উদ্যোগত মৰাণত নিৰ্মিত এটা সংগ্ৰহালয় আনুষ্ঠানিকভাৱে উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে কয়। এই অনুষ্ঠানতে মন্ত্ৰী বিমল বৰাই মৰাণৰ জ্যেষ্ঠ নাগৰিক সমাজৰ সৈতে মত বিনিময় কৰে। উদ্বোধনী অনুষ্ঠানটোত টিংখং সমজিলাৰ আয়ুক্ত পৰীক্ষিত ফুকন, মৰাণ ৰাজহ চক্ৰ বিষয়া মামুন সোণোৱাল, বিজেপি মৰাণ মণ্ডলৰ সভাপতি চন্দন দেউৰীৰ লগতে ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

০০০০০০

ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সোণালী জয়ন্তী বৰ্ষ উদযাপনৰ লগত সংগতি ৰাখি আয়োজন কৰি অহা **আমাৰ আলহী** শীৰ্ষক অনুষ্ঠানৰ দ্বিতীয়গৰাকী আলহী মহন্ত পাংগিং পাৰৰ সতে কালি অন্তৰংগ আলাপ অনুষ্ঠিত হয়। ডিব্ৰুগড়ৰ ডি আৰ ডি সভাকক্ষত অনুষ্ঠিত এই অনুষ্ঠানত ভাৰতীয় বিমান বাহিনীৰ অৱসৰপ্ৰাপ্ত গ্ৰুপ কেপ্তেইন সুখয় যুদ্ধবিমানৰ পাইলট মহন্ত পাংগিং পাৰেই উত্তৰ-পূব ভাৰতৰ কৌশলগত গুৰুত্ব আৰু পৰিস্থিতি বিষয়ত বক্তব্য দিয়াৰ লগতে উত্তৰ-পূবৰ ৰাজ্যসমূহৰ ই অতি গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰে।

০০০০০০

বিশ্বনাথ জিলাৰ অন্তৰ্গত বিহালী সমষ্টিৰ কেটলা চাহ বাগিচাৰ খেলপথাৰত অনুষ্ঠিত **স্বাধীনতা কাপ** ফুটবল প্ৰতিযোগিতাত বিশ্বনাথ জিলা ভেটাৰ্ন দলে বিজয়ীৰ খিতাপ অৰ্জন কৰে। খেলখনত নিৰ্ধাৰিত সময়ত বিশ্বনাথ জিলা ভেটাৰ্ন দল আৰু কেটলা দলে ২-২ গ'লত সমতা স্থাপন কৰাত ট্ৰাইব্ৰেকাৰৰ জৰিয়তে বিশ্বনাথ জিলা ভেটাৰ্ন দলে ৬-৫ গ'লৰ ব্যৱধানত জয়ী হ'বলৈ সমৰ্থ হয়। এই প্ৰতিযোগিতাত জিলাখনৰ ৮টা দলে অংশগ্ৰহণ কৰিছিল। বঁটা বিতৰণী অনুষ্ঠানত সমাজকৰ্মী প্ৰেমলাল গঞ্জু, ডাঃ লাচিত তেৰাঙকে ধৰি ভালেসংখ্যক প্ৰাক্তন খেলুৱৈ আৰু ক্ৰীড়া সংগঠকে অংশগ্ৰহণ কৰে। সহস্ৰাধিক দৰ্শকে উপভোগ কৰা এই ফুটবল প্ৰতিযোগিতাৰ কালি সামৰণি পৰে।

০০০০০০

সমাপ্ত